# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-NOV-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## *Headlines*

-------------------

১।	দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ দায়িত্ব এন আই এ-ক অৰ্পণ। বিস্ফোৰণৰ আঁৰত থকা ষড়যন্ত্ৰকাৰীক কোনো কাৰণতে ক্ষমা কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰীৰ সকীয়নি।

২।	বোমা বিস্ফোৰণৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত দিল্লীত উচ্চস্তৰীয় বৈঠক।

৩।	দিল্লীৰ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত বিৰূপ মন্তব্য কৰা লোকক গ্ৰেপ্তাৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৪।	বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন। বিয়লি ৫ বজালৈ ৬৭ দশমিক ১-৪ শতাংশ ভোটদান।

*আৰু*

৫।	জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰীৰ আজি কামৰূপ জিলাৰ ৪ হাজাৰ ৬৭৩টা জনজাতীয় পৰিয়ালক ভূমি স্বত্ব পত্ৰ বিতৰণ।

০০০০০

দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ দায়িত্ব এন আই এ-ক অৰ্পণ কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে সংস্থাটোক আজি তদন্তৰ দায়িত্ব অৰ্পণ কৰে।

এই বিস্ফোৰণৰ আঁৰত থকা ষড়যন্ত্ৰকাৰীক কোনো কাৰণতে ক্ষমা কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সকীয়াই দিয়ে। পাৰ্বত্য ৰাষ্ট্ৰ ভূটানৰ ৰাজধানী থিম্ফুৰ এটা অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে বিস্ফোৰণত জড়িত প্ৰতিজন দোষীকে কঠোৰ শাস্তি বিহা হ'ব। তেওঁ লগতে কয়, যে যোৰনিশাৰে পৰা তেওঁ দিল্লী বিস্ফোৰণৰ ঘটনাৰ তদন্তকাৰী সংস্থাসমূহৰ সৈতে যোগাযোগত আছে। তদন্ত সংস্থাসমূহে সমগ্ৰ ঘটনাৰ উঁহ উলিয়াবলৈ সমৰ্থ হ'ব বুলিও তেওঁ নিশ্চিতি দিয়ে। দুৰ্ভগীয়া পৰিয়ালকেইটাৰ দুখ তেওঁ অনুভৱ কৰিব পাৰিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে সমগ্ৰ দেশ তেওঁলোকৰ লগত আছে।

**বাইট (মোদী)**

গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ তেওঁৰ বাসভৱনত এই বোমা বিস্ফোৰণৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। কেন্দ্ৰীয় গৃহ সচিব, চোৰাংচোৱা সংস্থাৰ

সঞ্চালক, দিল্লীৰ আৰক্ষী আয়ুক্ত আৰু ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ সঞ্চালকপ্ৰধানে এই বৈঠকত অংশগ্ৰহণ কৰে। জম্মু-কাশ্মীৰ আৰক্ষীৰ সঞ্চালকপ্ৰধানেও ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত অংশ লয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে দিল্লী বিস্ফোৰণত জড়িতসকলক বিচাৰৰ কাঠগড়ালৈ অনা হ'ব আৰু কঠোৰ শাস্তি বিহা হ'ব। নতুন দিল্লীত আজি দিল্লী প্ৰতিৰক্ষা আলোচনাত ভাষণ দি শ্ৰীসিঙে কয়, যে আগশাৰীৰ তদন্ত সংস্থাসমূহে বিস্ফোৰণৰ ঘটনাৰ পুংখানুপুংখ অনুসন্ধান কৰি আছে। তেওঁ কয়, যে তদন্তৰ তথ্যসমূহ অতি সোনকালে ৰাজহুৱা হ'ব। মন্ত্ৰীগৰাকীয়ে কালিৰ বিস্ফোৰণৰ ঘটনাত মৃত্যু হোৱা সকলৰ পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জনায়।

উল্লেখযোগ্য যে দিল্লীৰ লালকিল্লাৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা শক্তিশালী বোমা বিস্ফোৰণত কমেও ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৪ জনৰো অধিক লোক আহত হয়। এখন গাড়ীত সংস্থাপিত এটা বোমা বিস্ফোৰণৰ এই ঘটনা সন্দৰ্ভত অনুসন্ধান চলাই থকা হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

০০০০০০

অসমত সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মন্তব্য কৰে। তেওঁ কয়, যে দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত আনন্দ কৰা লোকক প্ৰয়োজন হ'লে গ্ৰেপ্তাৰ কৰা হ'ব। তেনেলোকে আনন্দ-উল্লাস কৰি সন্ত্ৰাসবাদক সমৰ্থন জনাইছে বুলি তেওঁ কয়। এইসকল ব্যক্তিৰ তথ্য পৰীক্ষা কৰি গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। দেশত যাতে সন্ত্ৰাসবাদে আকৌ মূৰ দাঙি উঠিব নোৱাৰে তাৰ বাবে জনগণ একত্ৰিত হ'ব লাগিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

দিল্লীৰ লালকিল্লাৰ সমীপৰ বিস্ফোৰণৰ ঘটনাক লৈ বিৰূপ মন্তব্য কৰাৰ অভিযোগত শিলচৰত এজন অৱসৰপ্ৰাপ্ত শিক্ষকক আটক কৰা হৈছে। নজৰুল ইছলাম বৰভূঞা নামৰ লোকজনে সামাজিক মাধ্যমত বিস্ফোৰণক লৈ বিতৰ্কিত মন্তব্য কৰিছিল। এই ঘটনা পোহৰলৈ অহাৰ পাছতে কাছাৰ আৰক্ষীৰ এটা দলে লোকজনক আটক কৰে। ইপিনে বিস্ফোৰণৰ ঘটনাৰ পাছতে কাছাৰ জিলাত হাই এলাৰ্ট জাৰি কৰা হৈছে বুলি জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজত কুমাৰ পালে জানিবলৈ দিছে।

০০০০০

নগাঁও জিলাৰ ৰহা বিধানসভা সমষ্টিৰ মহিলাসকলৰ সৰ্বাঙ্গীন কল্যাণৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি উদ্যমিতা আঁচনিৰ অধীনত ধন বিতৰণ কৰে। এই উপলক্ষে ৰহা ক্ৰীড়া সন্থা খেলপথাৰত আয়োজিত জনসভাত দিয়া বাষণত মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰে উন্নয়নমূলক আঁচনিসমূহৰ ওপৰত আলোকপাত কৰে। এই অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰীয়ে ৰহাৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চাপৰমুখ ৰে'লৰে জংছন আৰু পশ্চিম কাৰ্বি আংলং সংযোগী চাপৰমুখ ৰে'লৰে উৰণ সেতু উদ্বোধন কৰে। ৮৪ কোটি ৬০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই উৰণ সেতুখনৰ দৈৰ্ঘ্যৰ এহেজাৰ ১৭৯ মিটাৰ। উৰণ সেতুৰ উদ্বোধন অনুষ্ঠানত মন্ত্ৰী কেশৱ মহন্ত, পীযুষ হাজৰিকাৰ উপৰি কেইবাগৰাকীও বিধায়ক আৰু লামডিঙৰ মাগুলিক ৰে'ল প্ৰবন্ধক সমীৰ লোহানী উপস্থিত থাকে।

০০০০০

স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ প্ৰাৰ্থীসকলে ১৩ নৱেম্বৰত নিযুক্তি পত্ৰ লাভ কৰিব। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে এখন জাননীৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি ১৩ নৱেম্বৰত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেল পথাৰত আয়োজিত এটা অনুষ্ঠানত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। শিক্ষক পদৰ প্ৰাৰ্থীসকলক নিজৰ পৰিচয় পত্ৰসহ এই অনুষ্ঠানত উপস্থিত থাকিবলৈ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে আহ্বান জনাইছে।

০০০০০

বিহাৰত আজি বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন হয়। শেহতীয়া তথ্য অনুসৰি বিয়লি ৫ বজালৈ ৬৭ দশমিক ১-৪ শতাংশ ভোটদান সম্পন্ন হৈছে। আজিৰ ভোটগ্ৰহণত কিষাণগঞ্জ, কাটিহাৰ আৰু পুৰ্ণিয়াত সৰ্বাধিক ৭০ শতাংশ ভোটদাতাই নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। কিষাণগঞ্জ সমষ্টিত বিয়লি ৫ বজালৈ সৰ্বাধিক ৭৬ দশমিক ২-৬ শতাংশ ভোটদান সম্পন্ন হয়। এই পৰ্যায়ত ২০ খনৰো অধিক জিলাৰ ১২২ টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হয়। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত মুঠ এহেজাৰ ৩০২ গৰাকী প্ৰাৰ্থী আছে। প্ৰাৰ্থীসকলৰ ভিতৰত ১৩৬ গৰাকী মহিলা। উল্লেখযোগ্য যে ৰাজ্যখনত ৬ নৱেম্বৰত হোৱা প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত প্ৰায় ৬৫ শতাংশ ভোটদান সম্পন্ন হৈছিল। অহা ১৪ নৱেম্বৰত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। এই ৰোগ নিৰ্মূলকৰণৰ বাবে প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ডিব্ৰুগড় জিলাৰ ১১টা স্থানক মহামাৰী কেন্দ্ৰ হিচাপে চিনাক্ত কৰা হৈছে। জিলাখনত ইতিমধ্যে এই ৰোগত আক্ৰান্ত হোৱা শতাধিক গাহৰি বিভাগীয় কৰ্তৃপক্ষই নিধন কৰাৰ লগতে আক্ৰান্ত অঞ্চলসমূহত গাহৰি মাংসৰ বিক্ৰীৰ সম্পূৰ্ণভাৱে নিষিদ্ধ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দলে এই ৰোগত প্ৰভাৱিত এলেকাসমূহ পৰিদৰ্শন কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ তিনিজন উচ্চ পদস্থ বিষয়াক প্ৰেৰণ কৰিছে। একেদৰে গোলাঘাট জিলাতো এই ৰোগ নিৰ্মূলকৰণৰ বাবে জিলা প্ৰশাসনে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। এই ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱা অঞ্চলত গাহৰি মাংসৰ বেচা-কিনা নিষিদ্ধ কৰা হৈছে।

তামুলপুৰ জিলাৰ বিভিন্ন স্থানত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে। জিলাখনৰ বামুণঝাৰ, গুৰমৌ, শিমলাবাৰী, ঔগুৰি, টাইপাৰা, বিলপাৰাকে ধৰি ১৩ খন গাঁৱত এই ৰোগ ধৰা পৰিছে বুলি ৰাজ্যিক পশু চিকিৎসা বিভাগে তথ্য প্ৰকাশ কৰিছে। ৰাজ্যিক পশু চিকিৎসালয়ৰ তথ্য অনুসৰি জিলাখনত ৪০০তকৈ অধিক গাহৰি নিধন কৰা হৈছে। পশু চিকিৎসা বিভাগে এই ৰোগ সন্দৰ্ভত ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে কৰ্মশালাৰ আয়োজন কৰিছে। কালাকুছি, তেতেলীগুৰি, দলংপাৰ আদিকে ধৰি বিভিন্ন স্থানত সজাগতামূলক কৰ্মশালা অনুষ্ঠিত হৈছে। পশু চিকিৎসা বিভাগে ছোৱাইন ফিভাৰৰ কবলত পৰা অঞ্চলৰ ১ কিলোমিটাৰ ব্যাসাৰ্ধলৈ প্ৰভাৱিত এলেকা আৰু ১০ কিলোমিটাৰলৈ নিৰীক্ষণ এলেকা হিচাপে ধৰি পশুপালকসকলক সচেতন হ'বলৈ আহ্বান জনাইছে। পশু চিকিৎসা বিষয়া দিপ্তী দাসে সংবাদমাধ্যমৰ আগত এইদৰে কয়-

**বাইট (চিকিৎসক)**

০০০০০০

ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যজুৰি উদযাপিত জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ মুঠ চাৰি হাজাৰ ৬৭৩ টা জনজাতীয় পৰিয়ালক ভূমি স্বত্ব পত্ৰ বিতৰণ কৰে। বড়ো, ৰাভা, কাৰ্বি আৰু গাৰো জনগোষ্ঠীৰ এই লোকসকলক ভূমি স্বত্ব পত্ৰ প্ৰদান কৰি জনজাতীয় লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত এয়া অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। তেওঁ কয় যে বি টি চি, কাৰ্বি আংলঙকে ধৰি বিভিন্ন স্থানত জনজাতীয় লোকসকলে সম্প্ৰতি ভূমিৰ অধিকাৰ লাভ কৰিছে। অসমৰ বনাঞ্চলসমূহত বসবাস কৰি থকা প্ৰতিগৰাকী জনজাতীয় লোকক ভূমি অধিকাৰ প্ৰদানৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

বাইট

অসমত জনজাতীয় লোকৰ ভূমিৰ সমস্যা ক্ৰমাগতভাৱে কমি আহিছে বুলি তেওঁ উল্লেখ কৰে। পূৰ্বে জনজাতীয় লোকসকলে ভূমিৰ বাবে আন্দোলন কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে উচ্ছেদৰ সন্মুখীন হ'বলগীয়া হৈছিল যদিও ২০২১ চনত মুখ্যমন্ত্ৰীয়ে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত জিলা আয়ুক্তসকলক বনাঞ্চল বা অন্যান্য ঠাইত বসবাস কৰি থকা জনজাতীয় লোকসকলক উচ্ছেদ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে আজি কামৰূপ জিলাৰ ছয়গাঁৱৰ পাণ্টান উচ্চ মাধ্যমিক বিদ্যালয় খেল পথাৰত বন অধিকাৰ আইন, ২০০৬-ৰ অধীনত জনজাতীয় পৰিয়ালক ভূমি স্বত্ব-পত্ৰ বিতৰণ কৰে। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও অংশগ্ৰহণ কৰে।

০০০০০

লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন জিলাত একতাৰ পদযাত্ৰা অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত এই পদযাত্ৰা কৰা হয়। পুৱা ৯ বজাত গোলাঘাট জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাঙ্গনৰ পৰা কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই পদযাত্ৰাৰ শুভাৰম্ভ কৰে। প্ৰায় ডেৰ হাজাৰ লোকে পদযাত্ৰাত অংশগ্ৰহণ কৰে।

তিনিচুকীয়া জিলাতো আজি প্ৰশাসনৰ উদ্যোগত একতাৰ পদযাত্ৰা কৰা হয়। জিলাখনৰ বৰগুৰিৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণে এই পদযাত্ৰাৰ শুভাৰম্ভ কৰে। স্থানীয় নাগৰিক তথা ছাত্ৰ-ছাত্ৰীসহ দুহেজাৰৰো অধিক লোকে প্ৰায় ৪ কিলোমিটাৰজোৰা পদযাত্ৰাত অংশ লয়। লৌহ মানৱগৰাকীৰ ডেৰশ বছৰীয়া জয়ন্তীৰ অংশ হিচাপে আজি পদযাত্ৰাৰ পূৰ্বে দেশপ্ৰেমমূলক নৃত্য আৰু চৰ্দাৰ পেটেলৰ জীৱনৰ আধাৰত এখন বাট প্ৰদৰ্শন কৰা হয়। কাইলৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগতো আজি ডিফুৰ কাছা ষ্টেডিয়ামলৈ একতাৰ পদযাত্ৰা কৰা হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই পদযাত্ৰাৰ শুভাৰম্ভ কৰে।

বৰপেটা জিলাত আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তীৰ সৈতে সংগতি ৰাখি এক ভাৰত আত্মনিৰ্ভৰ ভাৰত শ্লোগানেৰে সমদল উলিওৱা হয়। বৰপেটা জিলা পুঁথিভৰাল প্ৰাঙ্গনত জিলাখনৰ

অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সমদল মুকলি কৰে। এই সমদলত বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী আৰু দল-সংগঠনৰ লোকে অংশগ্ৰহণ কৰে।

০০০০০

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদ অস্থায়ীভাৱে কটন বিশ্ববিদ্যালয়ৰ সমীপৰ জি এ ডি ভৱনলৈ স্থানান্তৰৰ বিৰোধিতাৰে আজি গুৱাহাটী উকীল সন্থাৰ উদ্যোগত অধিবক্তাসকলে আদালত বৰ্জন কাৰ্যসূচী অনুষ্ঠিত কৰে। সেই অনুসৰি অধিবক্তাসকল আজি আদালতৰ কাম-কাজৰ পৰা সম্পূৰ্ণৰূপে বিৰত থাকে। উল্লেখযোগ্য যে আদালত চৌহদ স্থানান্তৰৰ বিৰোধিতা কৰি কালি অধিবক্তাসকলে এটা প্ৰতিবাদী সমদল উলিয়াইছিল। অধিবক্তাসকলে অস্থায়ীভাৱে আদালত অন্য স্থানলৈ স্থানান্তৰৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ দাবী জনাইছে।

০০০০০

আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা অৰ্থাৎ আবিলেকৰ উদ্যোগত ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত অনুসৰি আজিৰে পৰা পাঁচদিনীয়া জিকিৰ আৰু জাৰি ৰাজ্যৰ সাতোটা জনগোষ্ঠীয় ভাষালৈ অনুবাদৰ কৰ্মশালা অনুষ্ঠিত হৈছে। আবিলেকৰ সঞ্চালক ড০ সুদেষ্ণা ভট্টাচাৰ্যৰ সঞ্চালনাত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত কৰ্মশালাত বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ কামালউদ্দিন আহমেদ, ভাষাতত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ বিভা ভৰালী আৰু বিশ্ববিদ্যালয়খনৰ আৰবী ভাষাৰ মুৰব্বী অধ্যাপক ড০ আবু বক্কৰ ছিদ্দিকি উপস্থিত থাকে। এই কৰ্মশালাত কেইবাখনো জনজাতীয় সাহিত্য সভাৰ সভাপতি আৰু কেইবাগৰাকীও সমল ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ডিমাছা, বড়ো, ৰাভা, তিৱা, মিচিং, দেউৰী আৰু কাৰ্বি ভাষালৈ জিকিৰ আৰু জাৰি কৰ্মশালাত অনুবাদ হোৱাৰ পাছত অহা বছৰৰ মাৰ্চত অসম চৰকাৰক প্ৰদান কৰা হ'ব।

০০০০০

আগৰতলাৰ মহাৰাজা বীৰ বিক্ৰম ষ্টেডিয়ামত অনুষ্ঠিত ৰঞ্জী ট্ৰফীৰ এলীট-চি গ্ৰুপৰ অসম আৰু ত্ৰিপুৰাৰ মাজৰ খেলখন অসীমাংসিতভাৱে সামৰণি পৰিছে। আজি খেলখনৰ চতুৰ্থ তথা অন্তিম দিনা অসমে দ্বিতীয় ইনিছংত ৭ উইকেটৰ বিনিময়ত ৩৬৭ ৰাণ সংগ্ৰহ কৰা অৱস্থাত খেলখনৰ সামৰণি পৰে। খেলখনৰ পৰা অসমে ১ পইণ্ট সংগ্ৰহ কৰে। অসমৰ হৈ ডেনিছ দাসে ১০৩ আৰু শিৱশংকৰ ৰয়ে অপৰাজিত ১০১ ৰাণ সংগ্ৰহ কৰে। এলীট চি গ্ৰপত অসমে এতিয়ালৈকে তিনিখন খেলৰ পৰা ৪ পইণ্ট সংগ্ৰহ কৰি গ্ৰুপৰ সপ্তম স্থানত আছে।

খেলখনৰ চূড়ান্ত স্কৰসমূহ -

ত্ৰিপুৰা প্ৰথম ইনিংছ - ৭ উইকেটৰ বিনিময়ত ৬০২ ৰাণ কৰি ইনিংছ সমাপ্তিৰ ঘোষণা।

অসম প্ৰথম ইনিংছ - ২৩৮ ৰাণ

আৰু দ্বিতীয় ইনিংছ ৭ উইকেটত ৩৬৭ ৰাণ।

০০০০০

সমাপ্ত

-------------

০০০০০

দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ দায়িত্ব এন আই এ-ক অৰ্পণ কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ে সংস্থাটোক আজি তদন্তৰ দায়িত্ব অৰ্পণ কৰে।

এই বিস্ফোৰণৰ আঁৰত থকা ষড়যন্ত্ৰকাৰীক কোনো কাৰণতে ক্ষমা কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সকীয়াই দিয়ে। পাৰ্বত্য ৰাষ্ট্ৰ ভূটানৰ ৰাজধানী থিম্ফুৰ এটা অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে বিস্ফোৰণত জড়িত প্ৰতিজন দোষীকে কঠোৰ শাস্তি বিহা হ'ব। তেওঁ লগতে কয়, যে যোৱনিশাৰে পৰা তেওঁ দিল্লী বিস্ফোৰণৰ ঘটনাৰ তদন্তকাৰী সংস্থাসমূহৰ সৈতে যোগাযোগত আছে। তদন্ত সংস্থাসমূহে সমগ্ৰ ঘটনাৰ উঁহ উলিয়াবলৈ সমৰ্থ হ'ব বুলিও তেওঁ নিশ্চিতি দিয়ে। দুৰ্ভগীয়া পৰিয়ালকেইটাৰ দুখ তেওঁ অনুভৱ কৰিব পাৰিছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে সমগ্ৰ দেশ তেওঁলোকৰ লগত আছে।

গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ তেওঁৰ বাসভৱনত এই বোমা বিস্ফোৰণৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। কেন্দ্ৰীয় গৃহ সচিব, চোৰাংচোৱা সংস্থাৰ সঞ্চালক, দিল্লীৰ আৰক্ষী আয়ুক্ত আৰু ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ সঞ্চালকপ্ৰধানে এই বৈঠকত অংশগ্ৰহণ কৰে। জম্মু-কাশ্মীৰ আৰক্ষীৰ সঞ্চালকপ্ৰধানেও ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত অংশ লয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে দিল্লী বিস্ফোৰণত জড়িতসকলক বিচাৰৰ কাঠগড়ালৈ অনা হ'ব আৰু কঠোৰ শাস্তি বিহা হ'ব। নতুন দিল্লীত আজি দিল্লী প্ৰতিৰক্ষা আলোচনাত ভাষণ দি শ্ৰীসিঙে কয়, যে আগশাৰীৰ তদন্ত সংস্থাসমূহে বিস্ফোৰণৰ ঘটনাৰ পুংখানুপুংখ অনুসন্ধান কৰি আছে। তেওঁ কয়, যে তদন্তৰ তথ্যসমূহ অতি সোনকালে ৰাজহুৱা হ'ব। মন্ত্ৰীগৰাকীয়ে কালিৰ বিস্ফোৰণৰ ঘটনাত মৃত্যু হোৱা সকলৰ পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জনায়।

উল্লেখযোগ্য যে দিল্লীৰ লালকিল্লাৰ সমীপত কালি সন্ধিয়া সংঘটিত এটা শক্তিশালী বোমা বিস্ফোৰণত কমেও ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৪ জনৰো অধিক লোক আহত হয়। এখন গাড়ীত সংস্থাপিত এটা বোমা বিস্ফোৰণৰ এই ঘটনা সন্দৰ্ভত অনুসন্ধান চলাই থকা হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

ooooo

অসমত সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মন্তব্য কৰে। তেওঁ কয়, যে দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত আনন্দ কৰা লোকক প্ৰয়োজন হ'লে গ্ৰেপ্তাৰ কৰা হ'ব। তেনেলোকে আনন্দ-উল্লাস কৰি সন্ত্ৰাসবাদক সমৰ্থন জনাইছে বুলি তেওঁ কয়। এইসকল ব্যক্তিৰ তথ্য পৰীক্ষা কৰি গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। দেশত যাতে সন্ত্ৰাসবাদে আকৌ মূৰ দাঙি উঠিব নোৱাৰে তাৰ বাবে জনগণ একত্ৰিত হ'ব লাগিব বুলি তেওঁ মন্তব্য কৰে।

ooooo

দিল্লীৰ লালকিল্লাৰ সমীপৰ বিস্ফোৰণৰ ঘটনাক লৈ বিৰূপ মন্তব্য কৰাৰ অভিযোগত শিলচৰত এজন অৱসৰপ্ৰাপ্ত শিক্ষকক আটক কৰা হৈছে। নজৰুল ইছলাম বৰভূঞা নামৰ লোকজনে সামাজিক মাধ্যমত বিস্ফোৰণক লৈ বিতৰ্কিত মন্তব্য কৰিছিল। এই ঘটনা পোহৰলৈ অহাৰ পাছতে কাছাৰ আৰক্ষীৰ এটা দলে

লোকজনক আটক কৰে। ইপিনে বিস্ফোৰণৰ ঘটনাৰ পাছতে কাছাৰ জিলাত হাই এলাৰ্ট জাৰি কৰা হৈছে বুলি জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজত কুমাৰ পালে জানিবলৈ দিছে।

০০০০০

মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰত ৩৭২ বছৰীয়া পৰম্পৰা অটুট ৰাখি কাইলৈৰ পৰা পাল-নাম মহোৎসৱ অনুষ্ঠিত হ'ব। মহোৎসৱলৈ অহা ভকত-বৈষ্ণৱক আদৰিবলৈ সত্ৰখন সাজু হৈ উঠিছে। সত্ৰখনৰ নামঘৰৰ লগতে বৈষ্ণৱসকলৰ বহা আটকধুনীয়াকৈ সজাই তোলা হৈছে। এই মহোৎসৱৰ বাবে মাজুলীলৈ দেশী-বিদেশী পৰ্যটকৰ আগমন হ'ব বুলি আশা কৰা হৈছে। এই সন্দৰ্ভত সত্ৰৰ বৈষ্ণৱ অনন্ত কলিতাই আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াৰ আগত এইদৰে কয় -

**বাইট**

০০০০০

লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তীৰ সৈতে সংগতি ৰাখি আজি ৰাজ্যৰ বিভিন্ন জিলাত একতাৰ পদযাত্ৰা অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত এই পদযাত্ৰা কৰা হয়। পুৱা ৯ বজাত গোলাঘাট জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰাঙ্গনৰ পৰা কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই পদযাত্ৰাৰ শুভাৰম্ভ কৰে। প্ৰায় ডেৰ হাজাৰ লোকে পদযাত্ৰাত অংশগ্ৰহণ কৰে।

তিনিচুকীয়া জিলাতো আজি প্ৰসাসনৰ উদ্যোগত একতাৰ পদযাত্ৰা কৰা হয়। জিলাখনৰ বৰগুৰিৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণে এই পদযাত্ৰাৰ শুভাৰম্ভ কৰে। স্থানীয় নাগৰিক তথা ছাত্ৰ-ছাত্ৰীসহ দুহেজাৰৰো অধিক লোকে প্ৰায় ৪ কিলোমিটাৰজোৰা পদযাত্ৰাত অংশ লয়।

০০০০০

সমাপ্ত